০ শতাংশ
লৈছে,
ভাটাৰ, এন
কেম্প।
বউদ্দিন আজমল

নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ৩৪২ দেওবাৰ ১১ কাতি ১৯৪৫ শক ২৯ অক্টোবৰ ২০২৩ চন ASOMIYA KHABAR JORHAT SUNDAY

## এছবিআই ডিব্ৰুগড় শাখাৰ শতবৰ্ষীয় স্মৃতিগ্ৰন্থ 'স্যমন্তক' উন্মোচন




ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ অক্টোবৰ ঃ দেশৰ উন্নতিত সেনা আৰু বেংকসমূহে প্ৰকৃত দায়িত্ব পালন কৰে। এইক্ষেত্ৰত হীন-ডেটি হ'লেই জনসাধাৰণ ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগীয়াত পৰে। ডিব্ৰুগড় চহৰৰ থানা চাৰিআলিস্থিত ভাৰতীয় ষ্টেট বেংকৰ ডিব্ৰুগড় শাখাই চলিত বৰ্ষৰ পহিলা মে'ত ইতিমধ্যে গৌৰৱোজ্জল শতবৰ্ষত ভৰি দিয়াৰ উপলক্ষত প্ৰকাশ কৰি উলিওৱা এখনি স্মৃতিগ্ৰন্থ 'স্যমন্তক' আজি উন্মোচন কৰি এইদৰে কয় লেখক, কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। স্মৃতিগ্ৰন্থখনৰ সদস্য তথা বেংকটোৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া জ্ঞান প্ৰকাশ শৰ্মাই আঁতধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰথিতযশা সাহিত্যিক, মিতভাষৰ স্ৰষ্টা, সাহিত্য অকাডেমীৰ ফেল' সন্মানপ্ৰাপক ড° নগেন শইকীয়াই বেংকটোৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লোৱা সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাকে ধৰি সংশ্লিষ্ট সকলোকে শ্ৰদ্ধাৰে স্মৰণ কৰি কয় যে, এই গ্ৰন্থখনিয়ে শতবৰ্ষৰ এক বিৰল স্মৃতি আৰু ঐতিহ্য ধৰি ৰাখিব। তদুপৰি অনাগত দিনত উত্তৰ-পূৰ্বাঞ্চলত বেংক প্ৰতিষ্ঠাৰ ইতিহাসৰ স'তে প্ৰয়োজনীয় গৱেষণাৰ বাবেও এই গ্ৰন্থখনিয়ে বিশেষভাৱে সমলৰ যোগান ধৰাৰ প্ৰতি লক্ষ্য ৰাখি ই এক সংৰক্ষণ কৰিবলগীয়া গ্ৰন্থ হিচাপে বিবেচিত হ'ব। আনহাতে, ভাষণ প্ৰসংগত সাহিত্যিকগৰাকীয়ে ডিব্ৰুগড় চহৰৰ ইতিহাস, ঐতিহ্য আৰু বৰ্তমানৰ স্থিতিৰ সম্পৰ্কত সবিস্তাৰে উল্লেখ কৰি কেন্দ্ৰ তথা ৰাজ্য চৰকাৰলৈ সৰ্বাধিক ৰাজহ প্ৰদান কৰা ডিব্ৰুগড় জিলাৰ নাম ইতিহাসত চিৰদিন থাকি যোৱাৰ লগতে বেংকটোৰ অৱদান স্মৰণীয় হৈ থাকিব বুলিও উল্লেখ কৰে। ইয়াৰ পূৰ্বে বেংকটোৰ ডিব্ৰুগড় ক্ষেত্ৰীয় কাৰ্যালয়ৰ ক্ষেত্ৰীয় প্ৰবন্ধক নিৰজ কুমাৰ শ্বাহে আদৰণী ভাষণ প্ৰদান কৰি শতবৰ্ষত ভৰি দিয়া বেংকটোত কৰ্মৰত বৰ্তমানৰ আৰু অৱসৰপ্ৰাপ্ত সকলো বিষয়া-কৰ্মচাৰীক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত 'স্যমন্তক'ৰ মুখ্য সম্পাদক তথা ডিব্ৰুগড় প্ৰশাসনিক কাৰ্যালয়ৰ মুখ্য প্ৰবন্ধক অংশুমান বৰদলৈ আৰু সদস্য কুকিল বনগএই গ্ৰন্থখনৰ জন্ম-যন্ত্ৰণাৰ আঁৰৰ কথা উল্লেখ কৰে। শাখাটোৰ মুখ্য প্ৰবন্ধক সুনীল প্ৰসাদে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত বেংকটোৰ ডিব্ৰুগড় প্ৰশাসনিক কাৰ্যালয়ৰ চীফ মেনেজাৰ (প্ৰশাসনিক) কৃষ্ণকান্ত কুটুম, জ্যেষ্ঠ সাংবাদিক শৰৎ নেওগ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, কাৰ্যকৰী সভাপতি ৰতন হাজৰিকা, সম্পাদক ৰাতুল গোহাঁই, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক অনিল পোদ্দাৰ, উপ-সভাপতি মানস দত্ত, লেখক সুমন দত্ত, যাদৱ গগৈৰ লগতে শাখাটোৰ বৰ্তমানৰ বিষয়া-কৰ্মচাৰী, অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীৰ উপৰি অৰ্ধ শতাধিক গ্ৰাহক আৰু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে বুলি বেংকটোৰ তৰফৰ পৰা জনোৱাৰ লগতে ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে।